**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-08-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

0000000

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৭ সংখ্যক তিৰোভাব তিথি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। গুৰুজনাৰ তিথি উপলক্ষে আজি ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহত পুৱাৰে পৰা হৰিনামৰ পৱিত্ৰ ধ্বনিৰে মুখৰ হৈ উঠে।

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত যোৱা ১৯ আগষ্টৰ পৰা আয়োজন কৰা গুৰুজনাৰ কীৰ্তন মহোৎসৱৰ আজি মূল সবাহ অনুষ্ঠিত হ'ব। তিৰোভাব তিথি উপলক্ষে বৰপেটাৰ বৃন্দাবন হাটীৰ ভকতবৃন্দই বিয়লি বৰপেটা সত্ৰত কৰভাৰ প্ৰদান কৰিব। এই উপলক্ষে বৃন্দাবন হাটীৰ হাটীয়াৰ ঘৰৰ পৰা ওজাপালি, গায়ন-বায়ন, নাম-কীৰ্তনীয়া দলে সত্ৰীয়া পৰম্পৰা অনুসৰি শোভাযাত্ৰা কৰি তেল, নিমখ, ঔটেঙা, চাউল, কোমোৰা আদি কৰভাৰ প্ৰদান কৰিব। একেদৰে পাটবাউসী থানতো এই তিথি পালন কৰা হৈছে।

মাজুলীতো আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে সত্ৰ-নামঘৰসমূহ সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ অমিয়া ধ্বনিৰে আকাশ-বতাহ মুখৰ হৈ পৰিছে। গোৱালপাৰাৰ বগুৱানৰ শ্ৰীশ্ৰী হাটী সত্ৰ আৰু শ্ৰীশ্ৰী শ্যামৰায় সত্ৰত গুৰুজনাৰ তিৰোভাব তিথি পালন কৰা হৈছে। বজালী জিলাৰ ভৱানীপুৰ সত্ৰতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে কীৰ্তন মহোৎসৱ অনুষ্ঠিত হৈছে। কামৰূপ জিলাৰ বকোৰ চমৰিয়া সত্ৰ, শুৱালকুছিৰ শ্ৰী ঈশ্বৰ হাতীসত্ৰৰ লগতে প্ৰতিখন সত্ৰ নামঘৰত আধ্যাত্মিক ৰীতি-নীতিৰে তিৰোভাৱ তিথি পালন কৰা হৈছে। হাতী সত্ৰত সাদিনীয়াকৈ এই তিথি পালন কৰা হৈছে। এই উপলক্ষে ভকত আৰু আয়তীসকলে নাম-প্ৰসঙ্গ পৰিবেশন কৰিছে।

কোচ বিহাৰৰ মধুপুৰ সত্ৰত আজি দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষজনাৰ তিৰোভাব তিথি পালন কৰা হয়। পুৱা সাত বজাত প্ৰসংগ প্ৰণালীৰে কাৰ্যসূচীৰ পাতনি মেলা হয়। ইয়াৰ পাছতে ভাগৱত পাঠ, আয়তীসকলৰ নাম আৰু আবেলি ৪ বজাত থিয় নাম প্ৰদৰ্শন কৰা হয়।

হোজাই জিলাতো আজি মহাপুৰুষজনাৰ তিৰোভাৱ তিথি ভক্তি সহকাৰে পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গুৰুজনাৰ তিৰোভাব তিথি উপলক্ষে সশ্ৰদ্ধ প্ৰণিপাত জনাইছে।

0000000

কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ে তিনিচুকীয়া জিলাৰ ডিগবৈ থানাক ৰাজ্যৰ শ্ৰেষ্ঠ থানা হিচাপে বাছনি কৰিছে। কাইলৈ অসম আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত ডিগবৈ থানাক শ্ৰেষ্ঠ থানা হিচাপে প্ৰশংসা পত্ৰ প্ৰদান কৰিব। অসম আৰক্ষীৰ পৰিদৰ্শনক দিব্যজ্যোতি দত্তই ডিগবৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে দায়িত্ব পালন কৰি আছে। বিষয়াগৰাকীৰ নেতৃত্বত ডিগবৈ অঞ্চলত অপৰাধমূলক কামকাজ হ্ৰাস পোৱাৰ উপৰি কেইবাটাও অঞ্চলত সজাগতাৰ সৃষ্টি হৈছে।

0000000

মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই আজি নাগালেণ্ডৰ ২২ সংখ্যক ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰিছে। ক'হিমাৰ ৰাজভৱনত আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে শ্ৰী ভাল্লাক শপতবাক্য পাঠ কৰোৱায়। যোৱা ১৫ আগষ্টত নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনৰ বিয়োগৰ পৰিপ্ৰেক্ষিতত শ্ৰী ভাল্লাক ৰাজ্যখনৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হৈছিল। আজি শপতগ্ৰহণ অনুষ্ঠানত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিঅ'

ৰিঅ', উপ-মুখ্যমন্ত্ৰী টি আৰ জেলিয়াং, ৱাই পেট্টান, সাংসদ মন্ত্ৰী আৰু বিধায়কসকল উপস্থিত থাকে। শপতগ্ৰহণৰ পাছত শ্ৰী ভাল্লাই ৰাজ্যিক মন্ত্ৰীসভাৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পাছত তেওঁ মহিমা যুদ্ধ স্মাৰকলৈ গৈ ছহিদ সেনানীসকলৰ স্মৃতিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

০০০০০০০

যোৰহাট জিলা কৃষি আৰু ৰাজহ বিভাগৰ যৌথ উদ্যোগত ভূমিৰ নামজাৰি সম্পৰ্কীয় সমস্যাৰ তৎকালীন সমাধানৰ লগতে কৃষক পঞ্জীয়ন সুনিশ্চিত কৰাৰ উদ্দেশ্যে কাইলৈৰ পৰা জিলাখনত কৃষি ৰাজহ আদালতৰ ব্যৱস্থা কৰিছে। এই আদালতৰ অধীনত জিলাখনৰ প্ৰতিটো ৰাজহ চক্ৰৰ প্ৰতিখন ৰাজহ গাঁও সামৰি লোৱা হ'ব। নামজাৰি সম্পৰ্কীয় সমস্যাৰ বাবে যিসকল কৃষকে এতিয়ালৈকে কৃষক পঞ্জীয়ন কৰিব পৰা নাই তেওঁলোকক নিকটৱৰ্তী শিবিৰলৈ আহি ভূমি সম্পৰ্কীয় সমস্যাৰ সমাধান কৰিবলৈ কৃষি বিভাগে আহ্বান জনাইছে। উল্লেখযোগ্য যে কৃষি ৰাজহ আদালত তথা কৃষক পঞ্জীয়নৰ শিবিৰসমূহত উত্তৰাধিকাৰী সূত্ৰে পোৱা মাটিৰ নামজাৰি, মাটিৰ নথিত নাম শুধৰণি, একচনীয়া পট্টাৰ পৰা ম্যাদীপট্টালৈ পৰিৱৰ্তন অথবা বছেৰেকীয়া পট্টাৰ পৰা সাময়িক পট্টালৈ পৰিৱৰ্তন, ই-খাজানাৰ লগতে ভূমি সম্পৰ্কীয় আন কেইবাটাও সেৱা আগবঢ়োৱা হ'ব।

০০০০০০০

তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সোণালী জয়ন্তী উদযাপনৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। শিক্ষাবিদ তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড০ মদন শৰ্মাক সভাপতি, ড০ জ্যোতি প্ৰসাদ চলিহা কাৰ্যকৰী উপ-সভাপতি, ড০ ৰাজীৱ বৰদলৈ, ধনদেৱ মহন্ত, খৰ্গেশ্বৰ টায়ে, উদ্ধৱ শৰ্মা, প্ৰণতি শৰ্মা আৰু ড০ গিৰিশ সন্দিকৈক উপ-সভাপতি, ড০ মামনি ফুকন বৰগোহাইক সম্পাদক, জোনাবৰ গোঁহাইক কাৰ্যালয় সম্পাদক, জিতেন শৰ্মাক বিত্ত সম্পাদক হিচাপে লৈ উদযাপন সমিতি গঠন কৰিছে। ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ দিনটোৰ পৰাই উদযাপন কৰিবলগীয়া সোণালী জয়ন্তীত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হ'ব।

০০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ জাগৃতি আঁচনিৰ অধীনত মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আজি পূব মাজুলীৰ মুদৈ গাঁৱৰ পূণ্যলয়ত এখন আইন সম্পৰ্কীয় সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব সন্দিপ কৌশিক, জিলা মুখ্য আইন প্ৰতিৰক্ষা অধিবক্তা বুদ্ধেশ্বৰ পামেগাম আৰু প্ৰাধিকৰণৰ বিষয়ববীয়াসকলে আইন সম্পৰ্কীয় বহু বিষয় ৰাইজক অৱগত কৰে।

০০০০০০০

হোজাই জিলাত আজি সদৌ অসম প্ৰতিবন্ধি সন্থাৰ বিষয়ববীয়াৰ উপস্থিতিত হোজাই জিলা প্ৰতিবন্ধি সন্থা গঠন কৰা হয়। আব্দুল ৰাহাবক সভাপতি আৰু দেৱী শংকৰ প্ৰসাদক সাধাৰণ সম্পাদক হিচাপে লৈ এই সন্থা গঠন কৰা হয়। কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ সা-সুবিধা প্ৰতিবন্ধি ব্যক্তিসকলে লাভ কৰিব পৰাকৈ সুবিধা দিবৰ বাবে এই সন্থা গঠন কৰা হৈছে। সন্থাৰ সদস্যসকলে এই লোকসকলৰ বাবে পেঞ্চন আঁচনি, চৰকাৰী চাকৰিত নিযুক্তিকে ধৰি কেইবাটাও দাবী মুখ্যমন্ত্ৰী তথা অসম চৰকাৰৰ ওচৰত উত্থাপন কৰিছে।

০০০০০০০

**সমাপ্ত**